# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-12-2025
**Time :** 1910 Hrs.

### *Assamese Evening Bulletin*
## HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শীঘ্ৰেই আহমেদাবাদে গোলকীয় ক্ৰীড়াক্ষেত্ৰত শীৰ্ষ স্তৰ স্পৰ্শ কৰিব বুলি আশাপ্ৰকাশ কৰিছে।

২। নিৰ্বাচন আয়োগে দ্বিতীয় পৰ্যায়ৰ বিশেষ গণনা পুনৰীক্ষণ আৰম্ভ কৰাৰ পাছত ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৪ লাখতকৈ অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে।

৩। শেহতীয়াকৈ ইণ্ডিগো বিমানসমূহ উৰণত বিলম্ব তথা বাতিল হৈ থকাৰ পৰিপ্ৰেক্ষিতত দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক বিমান বন্দৰলৈ ৰাওনা হোৱাৰ পূৰ্বে বিমানৰ শেহতীয়া স্থিতি সম্পৰ্কে জানি ল'বলৈ পৰামৰ্শ দিছে।

*আৰু*

৪। চেন্নাইত আজি হ'বলগীয়া এফ আই এইচ হকী মেনছ জুনিয়ৰ ৱৰ্ল্ড কাপ ২০২৫ৰ ছেমি ফাইনেলত ভাৰতে যোৱাবাৰৰ বিজয়ী জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শীঘ্ৰেই আহমেদাবাদে গোলকীয়া ক্ৰীড়াক্ষেত্ৰত শীৰ্ষ স্তৰ স্পৰ্শ কৰিব বুলি আশা প্ৰকাশ কৰিছে। শ্ৰীশ্বাহে লগতে ২০৩৬ চনত ভাৰতে অলিম্পিক আয়োজনৰ সুবিধা লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত কিছু বৰ্ষত আহমেদাবাদত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি উপলব্ধ হৈছে। চহৰখনত ক্ৰীড়াক্ষেত্ৰৰ বিভিন্ন প্ৰশিক্ষণৰো সুবিধা কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। ২০৩০ চনৰ কমনৱেলথ গেমছৰ বাবে আহমেদাবাদ সাজু হৈ উঠা বুলি উল্লেখ কৰি তেওঁ কয়, যে চহৰখনত শীঘ্ৰেই বিশাল চৰ্দাৰ পেটেল স্পৰ্টছ এনক্লেভ গঢ়ি উঠিব। মন্ত্ৰীগৰাকীয়ে হ্ৰদ আৰু উদ্যানকে ধৰি বিভিন্ন নগৰীয়া সা-সুবিধা তথা বস্তি অঞ্চলৰ উন্নয়নমূলক কাম-কাজৰ উপৰি ৮০০তকৈ অধিক অৰ্থনৈতিকভাৱে অনগ্ৰসৰ খণ্ডৰ বাবে বাসগৃহ মুকলি কৰে। গৃহমন্ত্ৰীগৰাকীয়ে গোটাত মিনি স্পৰ্টছ কম্পলেক্সৰ ভূমিপূজন কৰাৰ লগতে আহমেদাবাদ পৌৰ নিগমৰ বিভিন্ন জনকল্যাণ মূলক প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। শ্ৰীশ্বাহে নিগমৰ নৱনিযুক্ত প্ৰায় ১০০ গৰাকী সহকাৰী অগ্নিনিৰ্বাপক কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰে।

০০০০০০০০০

নিৰ্বাচন আয়োগে দ্বিতীয় পৰ্যায়ৰ বিশেষ গণনা পুনৰীক্ষণ আৰম্ভ কৰাৰ পাছত ভোটদাতাসকলৰ মাজত ৫০ কোটি ৯৪ লাখতকৈ অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। এই পৰ্যায়ত সামৰি লোৱা ৫১ কোটি ভোটাৰৰ ভিতৰত এই সংখ্যা প্ৰায় ৯৯ দশমিক ৯-৪ শতাংশ। আয়োগে প্ৰকাশ কৰা মতে, ৫০ কোটিতকৈ অধিক প্ৰ-পত্ৰ এই পৰ্যন্ত ডিজিটেল কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ গণনা পুনৰীক্ষণ ৪ নৱেম্বৰৰ পৰা ৯ খন ৰাজ্য আৰু ৩টা কেন্দ্ৰীয় শাসিত অঞ্চলত কৰা হৈছে। এই ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলকেইটা হ'ল ছত্তিশগড়, গোৱা, গুজৰাট, কেৰেলা, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰপ্ৰদেশ,

পশ্চিমবংগ, পুডুচেৰী, লাক্ষাদ্বীপ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। অহা বছৰ ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ লগে লগে এই বৃহৎ পৰিসৰৰ ভোটাৰ তালিকাৰ পুনৰীক্ষণৰ সামৰণি পৰিব।

০০০০০০০০০

কৃত্ৰিম বুদ্ধিমত্তা আৰু যান্ত্ৰিক শিকণ ভিত্তিক এপ্লিকেছনসমূহে গ্ৰাহককেন্দ্ৰিক তথা স্বয়ংচালিত বিতৰণৰ নেটৱৰ্কসমূহ নিৰ্মাণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বুলি কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে আজি প্ৰকাশ কৰিছে। নতুন দিল্লীত শক্তি বিতৰণ খণ্ডত কৃত্ৰিম বুদ্ধিমত্তা আৰু যান্ত্ৰিক শিকণ প্ৰযুক্তি সন্দৰ্ভত আয়োজিত প্ৰথমখন ৰাষ্ট্ৰীয় সন্মিলনত তেওঁ এই কথা প্ৰকাশ কৰে। সন্মিলনৰ সামৰণি ভাষণত শক্তিমন্ত্ৰীগৰাকীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা তথা যান্ত্ৰিক শিকণভিত্তিক ব্যৱস্থাসমূহে গ্ৰাহকসকলৰ অভিজ্ঞতা তথা ব্যৱস্থাটোৰ কাৰ্য ক্ষমতা ত্বৰান্বিত কৰে। তেওঁ এটা গ্ৰাহক কেন্দ্ৰীক, নিৰ্ভৰযোগ্য বিতৰণ ব্যৱস্থা নিশ্চিত কৰাৰ বাবে সকলো পক্ষক সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গোৱাত সংঘটিত অগ্নিকাণ্ডত কেইবাগৰাকী লোকে প্ৰাণ হেৰুওৱাৰ ঘটনাত শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে স্থানীয় প্ৰশাসনে উদ্ধাৰ তথা সাহায্য অভিযান অব্যাহত ৰখাৰ লগতে এই ঘটনাত পীড়িতসকলৰ বাবে চিকিৎসালৰ ব্যৱস্থা কৰিছে। নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি গৃহমন্ত্ৰীগৰাকীয়ে আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০০০

নতুন দিল্লীৰ লালকিল্লাত কাইলৈৰ পৰা ১৩ ডিচেম্বৰলৈকে বিমূৰ্ত সাংস্কৃতিক ঐতিহ্য সুৰক্ষাৰ বাবে থকা আন্তঃ চৰকাৰী সমিতিৰ ২০ সংখ্যক অধিৱেশন আয়োজন কৰা হৈছে। ভাৰতে এই বছৰ ইউনেস্কʼৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্য তালিকাৰ বাবে পোহৰৰ উৎসৱ দীপাৱলীক মনোনীত কৰিছে। কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে পূৰ্বে স্বতন্ত্ৰ মূল্যায়ন গোটে পৰীক্ষা কৰা এই প্ৰস্তাৱটো চলিত অধিৱেশনত আলোচনা কৰা হʼব আৰু ইয়াৰ এটা ইতিবাচক ফলাফল লাভ কৰিব বুলি চৰকাৰ দৃঢ় বিশ্বাসী। ছদিনীয়াকৈ হʼবলগীয়া এই অনুষ্ঠানত ইউনেস্কʼৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ তালিকাৰ বাবে বিভিন্ন ৰাষ্ট্ৰই দাখিল কৰা মনোনয়নসমূহ পৰীক্ষা কৰাৰ লগতে বৰ্তমানৰ তালিকাভুক্ত উপাদানসমূহৰ পৰ্যালোচনা কৰা হʼব। ইয়াৰ লগতে এই ঐতিহ্য ৰক্ষাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সাহায্য প্ৰদানৰ বিষয়টো আলোচনা কৰা হʼব।

০০০০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৰ ঐতিহ্য ৰক্ষাৰ বাবে কংগ্ৰেছে চৰ্দাৰ বল্লভ ভাই পেটেলকে ধৰি বহু প্ৰখ্যাত নেতাৰ অৱদানক একাষৰীয়া কৰি ৰখা বুলি বিজেপিয়ে মন্তব্য কৰিছে। কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে পণ্ডিত জৱাহৰলাল নেহেৰুৰ ঐতিহ্য নাইকীয়া কৰাৰ বাবে বিজেপিয়ে চেষ্টা চলাইছে বুলি তোলা অভিযোগৰ প্ৰত্যুত্তৰত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই এইদৰে কয়। ছোনিয়া গান্ধীয়ে বিজেপিয়ে ইতিহাস পুনৰ লিখিবলৈ চেষ্টা কৰা বুলি উত্থাপন কৰা অভিযোগৰ উত্তৰ দি তেওঁ কয়, যে বিজেপিয়ে ইতিহাস পুনৰ লিখা নাই বৰঞ্চ শুধৰণিৰ চেষ্টাহে কৰিছে।

০০০০০০০০০

শেহতীয়াকৈ ইণ্ডিগো বিমানসমূহ উৰণত বিলম্ব তথা বাতিল হৈ থকাৰ পৰিপ্ৰেক্ষিতত দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক বিমান বন্দৰলৈ ৰাওনা হোৱাৰ পূৰ্বে বিমানৰ শেহতীয়া স্থিতি সম্পৰ্কে জানি ল'বলৈ পৰামৰ্শ দিছে। এই সন্দৰ্ভত প্ৰকাশিত এটা নিৰ্দেশনাৰ জৰিয়তে দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই কয়, যে এই বিলম্ব তথা উৰণ বাতিল হোৱাৰ সমস্যা সমাধান কৰি যাত্ৰীসকলৰ যাতায়াতৰ সূচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সকলো পক্ষৰ সৈতে আলোচনা অব্যাহত আছে। কৰ্তৃপক্ষই বিমান বন্দৰৰ কৰ্মচাৰীসকল যাত্ৰীসকলৰ সহায়ৰ বাবে সদা প্ৰস্তুত হৈ থকা বুলিও প্ৰকাশ কৰে।

০০০০০০০০০

হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনীয়ে বিজ্ঞানীসকলক তেওঁলোকৰ উদ্ভাৱণসমূহ পৰীক্ষাগাৰৰ পৰা বাহিৰলৈ নি সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ লোকসকলেও যাতে ইয়াৰ সুবিধা উপভোগ কৰিব পাৰে তাক নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। পঞ্চকুলাত একাদশ ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ দ্বিতীয় দিনাৰ অধিৱেশনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে বিজ্ঞানীসকলৰ জ্ঞানে যেতিয়া কৃষকৰ শস্য উৎপাদন বৃদ্ধি কৰে। তেওঁলোকৰ গৱেষণাই যেতিয়া ৰোগীৰ ৰোগ নিৰাময় কৰে আৰু উদ্ভাৱনে যেতিয়া উদ্যোগীসকলক সৰল কৰে তেতিয়াই বিজ্ঞানে মানৱ সমাজলৈ সঁচা অৰ্থত সমৃদ্ধি কঢ়িয়াই আনে। শ্ৰীছাইনীয়ে এই অনুষ্ঠানতে শিক্ষাৰ্থীৰ বিজ্ঞান আৰু প্ৰযুক্তি গাঁও মুকলি কৰে। এই গাঁৱক আধুনিক ভাৰতৰ নতুন নালন্দা হিচাপে অভিহিত কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই উপলক্ষে আয়োজন কৰা এখন বিজ্ঞান প্ৰদৰ্শনী পৰিদৰ্শন কৰি বিজ্ঞান আৰু উদ্ভাৱণৰ ক্ষেত্ৰত শেহতীয়া প্ৰযুক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে। ছাত্ৰ-ছাত্ৰী আৰু বিজ্ঞানীসকলৰ সৈতে মত বিনিময় কৰি শ্ৰীছাইনীয়ে কয়, যে বিজ্ঞান কেৱল কেৰিয়াৰ নহয় বৰঞ্চ ৰাষ্ট্ৰ নিৰ্মাণৰ এটা মাধ্যম। তেওঁ সকলো বিজ্ঞানী, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু ষ্টাৰ্ট আপসমূহক একেলগে  কাম কৰি বিজ্ঞানভিত্তিক এটা উন্নয়নৰ আৰ্হি সৃষ্টি কৰিবলৈ আহ্বান জনাই যাৰ জৰিয়তে প্ৰতিজন নাগৰিকে মানসম্পন্ন জীৱন লাভ কৰাৰ লগতে পৰিৱেশ সুৰক্ষিত কৰি এটা বহনক্ষম ভৱিষ্যত নিশ্চিত কৰাটো সম্ভৱপৰ হ'ব। চাৰিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানত দেশ-বিদেশৰ ৪০ হাজাৰৰো অধিক বিজ্ঞানী তথা যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০০

চীনৰ জিনজিয়াং উইগুৰ স্বায়ত্ব শাসিত অঞ্চলত যোৱা নিশা সংঘটিত হোৱা এটা দুৰ্ঘটনাত ৯ জন লোক নিহত হোৱাৰ লগতে ৭ জন লোক আহত হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি উশ্মু মহানগৰৰ দ্ৰুতগতিৰ ঘাইপথৰ বিভিন্ন অংশত সংঘটিত পৃথক পৃথক দুৰ্ঘটনাত ৫ খন বৃহৎ তথা ৭ খন সৰু বাহনকে ধৰি কেইবাখনো বাহন ক্ষতিগ্ৰস্ত হয়। ডাঠ কুঁৱলী তথা নিশাৰ ভাগৰ প্ৰচণ্ড শীতৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি চৰকাৰীসূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

পাকিস্তানৰ বেলুচিস্তানৰ পাঞ্জগুৰ, খালিকাবাদ আৰু জেহৰি জিলাত ৫ জন লোকৰ বিকৃত মৃতদেহ উদ্ধাৰ হৈছে। শেহতীয়াকৈ অঞ্চলটোত হত্যাৰ ঘটনা বৃদ্ধি হৈ থকাৰ পৰিপ্ৰেক্ষিতত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। মানৱ অধিকাৰ সংস্থা তথা কৰ্মীসকলে দুৰ্গম অঞ্চলত সঘনাই বিকৃত মৃতদেহৰ উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত গুপ্তহত্যাৰ ঘটনা সংঘটিত হৈ থকাটোকে প্ৰতিফলিত কৰা বুলি উদ্বেগ প্ৰকাশ কৰিছে।

০০০০০০০০০

চেন্নাইৰ মেয়ৰ ৰাধাকৃষ্ণণ হকী ষ্টেডিয়ামত আজি হ'বলগীয়া এফ আই এইচ হকী মেনছ জুনিয়ৰ ৱৰ্ল্ড কাপ ২০২৫ৰ ছেমি ফাইনেলত ভাৰতে যোৱাবাৰৰ বিজয়ী জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। কোৱাৰ্টাৰ ফাইনেলত ভাৰতে বেলজিয়ামক পেনাল্টি ছুট আউটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। পূৰ্বে দুবাৰ এই প্ৰতিযোগিতাত বিজয়ী ভাৰতে ২০১৬ চনৰ পাছত এইবাৰ খিতাপ জয়ৰ চেষ্টা চলোৱাৰ বিপৰীতে সাতবাৰকৈ এই খিতাপ অৰ্জন কৰা জাৰ্মানীয়ে জয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে চেষ্টা চলাব।

০০০০০০০০০

গুৱাহাটী মাষ্টাৰ্ছ ২০২৫ বেডমিণ্টন প্ৰতিযোগিতাত আজি সংস্কাৰ সৰস্বতে পুৰুষৰ ছিংগল শাখাত খিতাপ অৰ্জন কৰিছে। সৰস্বতে ফাইনেল খেলত প্ৰতিদ্বন্দ্বী মিথুন মঞ্জুনাথক ২১-১১, ১৭-২১, ২১-১৩ গেমত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। আনহাতে পুৰুষৰ দ্বৈত শাখাৰ ফাইনেলত ভাৰতৰ প্ৰুথৱী কৃষ্ণমূৰ্তি ৰয় আৰু কে ছাই প্ৰতীক মালয়েছিয়াৰ আৰোন টাই আৰু কাং খাই জিঙৰ হাতত ১৩-২১, ১৮-২১ গেমত পৰাস্ত হয়।

০০০০০০০০০

**সমাপ্ত**